No. of Printed Pages—4

**438N (AGS)**

**[ 20-HKPGDEN–M2S(N)21J ]**

**MA 2nd Semester (New) Exam., 2020**

ASSAMESE

[ PGAS-S2-02 ]

**( অসমীয়া গদ্য সাহিত্য )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** *(a)* তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : 1×8=8

*(i)* চূৰ্ণক গদ্য মানে কি ?

*(ii)* আচহুৱা শব্দৰ প্ৰয়োগ কোনবিধ সাহিত্যৰ লক্ষণ ?

*(iii)* ভট্টদেৱৰ পুত্ৰৰ নাম কি ?

*(iv)* 'সাতসৰী অসম বুৰঞ্জী'ৰ সম্পাদকগৰাকীৰ নাম কি ?

*(v)* আহোম ৰজাই কোন গৰাকী দেৱতাক পূজা কৰিছিল ?

*(vi)* 'সাতসৰী অসম বুৰঞ্জী'ৰ প্ৰথমখন বুৰঞ্জীত কোন চোৱা সময়ৰ কথা সামৰা হৈছে ?

*(vii)* 'Pastoral Poetry' শব্দটো কৃষ্ণকান্ত সন্দিকৈয়ে কি বুলি অসমীয়ালৈ অনুবাদ কৰিছিল ?

*(viii)* সৰু কালত লক্ষ্মীনাথ বেজবৰুৱাক খেলিবলৈ কোনে সুতুলি সাজি দিছিল ?

*(b)* শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

*(i)* কিমান শকত পুৰন্দৰ সিংহৰ পৰা উজনিৰ শাসন ব্রিটিছে কাঢ়ি লয় ?

(1) ১৭৬০ শকত

(2) ১৭৬২ শকত

(3) ১৭৫৮ শকত

(4) ১৭৫৬ শকত

*(ii)* তলত উল্লেখ কৰা কোনখন সত্যনাথ বৰাৰ সাহিত্য সৃষ্টি নহয় ?

(1) 'চেৰেপাৰ আমনি'

(2) 'গীতাৱলী'

(3) 'সাৰথি'

(4) 'চিন্তা-কলি'

*(iii)* 'সৌন্দর্যৰ প্রতাৰণা' কাৰ সৃষ্টি ?

(1) লক্ষ্মীনাথ বেজবৰুৱা

(2) চন্দ্রকুমাৰ আগৰৱালা

(3) পদ্মনাথ গোহাঞিবৰুৱা

(4) বাণীকান্ত কাকতি

*(iv)* কৃষ্ণকান্ত সন্দিকৈ অসম সাহিত্য সভাৰ কোনখন অধিৱেশনৰ সভাপতি আছিল ?

(1) চতুর্দশ অধিৱেশন

(2) পঞ্চদশ অধিৱেশন

(3) ষষ্ঠদশ অধিৱেশন

(4) সপ্তদশ অধিৱেশন



( Continued )

(c) খালী ঠাই পূৰণ কৰক : 1×4=4

(i) বেণুধৰ শর্মাই বাতৰিকাকত _____ সম্পাদক হিচাপেও কাম কৰিছিল।

(ii) ১৯৫০ চনৰ নৱেম্বৰ মাহত তীর্থনাথ শর্মাই কটন কলেজৰ _____ হিচাপে যোগদান কৰিছিল।

(iii) কৃষ্ণকান্ত সন্দিকৈ মুখ্যতঃ চিন্তামূলক প্ৰবন্ধ লিখক আৰু তেওঁৰ ৰচনাত বিবিধ শব্দালংকাৰ আৰু অর্থালংকাৰৰ প্ৰয়োগ দেখা _____।

(iv) 'কাৰেঙৰ লিগিৰী'ৰ পটভূমি এখন _____ সমাজ।

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ভট্টদেৱৰ অনুবাদৰীতি সম্পর্কে এটি আলচ যুগুত কৰক।

(b) 'সাতসৰী অসম বুৰঞ্জী'ৰ অন্তর্গত বুৰঞ্জীকেইখনৰ বিষয়বস্তু সম্পর্কে চমুকৈ লিখক।

(c) লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতিৰ 'শব্দচয়ন'ৰ বিষয়ে এটি টোকা লিখক।

(d) সত্যনাথ বৰাৰ লেখনিত অলংকাৰৰ প্ৰয়োগ সম্পর্কে চমুকৈ লিখক।

(e) গ্ৰীক নাটকৰ গানত সামাজিক সমস্যাৰ প্ৰকাশ কেনেদৰে ঘটিছে? বুজাই লিখক।

(f) বাণীকান্ত কাকতিৰ গদ্যৰ বাক্যগঠন কেনেধৰণৰ, আলোচনা কৰক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) ভট্টদেৱৰ 'কথা গীতা'ৰ প্ৰথম অধ্যায়ৰ বিষয়বস্তুৰ বিষয়ে চমুকৈ লিখক।

(b) অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'মোৰ জীৱন সোঁৱৰণ'ৰ স্থান কি? আলোচনা কৰক।

(c) সত্যনাথ বৰাৰ 'জীৱনৰ অমিয়া'ত ফকৰা-যোজনা, পটন্তৰ আদিৰ প্ৰয়োগ কিদৰে ঘটিছে? বুজাই লিখক।

(d) ডান্টেৰ প্ৰেম কেনেকুৱা আছিল? চমুকৈ লিখক।

(e) সাহিত্য আৰু অনুবাদ সম্পর্কে কৃষ্ণকান্ত সন্দিকৈৰ চিন্তা আৰু আদর্শ কেনেধৰণৰ আছিল? চমুকৈ লিখক।

**4.** তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

*(a)* ''বেণুধৰ শৰ্মাৰ গদ্য অসমীয়া গদ্য সাহিত্যৰ এক আপুৰুগীয়া সম্পদ।'' কথাষাৰৰ যুক্তিযুক্ততা বিশ্লেষণ কৰক।

*(b)* 'নাৰদৰ কৃষ্ণদৰ্শন'ৰ তাৎপৰ্য কি? বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ প্ৰতিফলন ইয়াত কেনেদৰে ঘটিছে? আলোচনা কৰক।

*(c)* অসমীয়া মন্ত্ৰ সাহিত্যৰ 'পদ্যধৰ্মিতা' আৰু 'অবিন্যস্ত বাক্যৰীতি' সম্পৰ্কে উদাহৰণসহ এটি টোকা প্ৰস্তুত কৰক।

*(d)* হীৰেণ গোহাঁইৰ গদ্যৰীতিৰ বিষয়ে বহলাই আলোচনা কৰক।

**5.** তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

*(a)* নাৰায়ণ দাস ঠাকুৰ আতাই কেনেদৰে আৰু কিহৰ কিহৰ বেপাৰ-বনিজ কৰিছিল? সেইবোৰৰ বিৱৰণ দাঙি ধৰক।

*(b)* প্ৰাক্-অৰুণোদই স্তৰৰ গদ্যকাৰসকলৰ গদ্যৰ বিশেষত্বসমূহ কি কি? উদাহৰণসহ ব্যাখ্যা কৰক।

*(c)* আনন্দৰাম ঢেকিয়াল ফুকনে ভৱিষ্যৎ অসমখনক কেনেদৰে হোৱাটো বিচাৰিছিল? বহলাই আলোচনা কৰক।

*(d)* ''মায়ামৰীয়া বিদ্রোহ অসমৰ এক ঘৰুৱা কন্দল। নিজৰ মাজতে হোৱা দলা-দলি।'' কথাষাৰ বিশ্লেষণ কৰক।

★★★